# ড° লক্ষীপ্ৰসাদ দত্তৰ
# চমু জীৱনপঞ্জী



## ড° লক্ষীপ্ৰসাদ দত্ত

জন্ম ঃ ১৬ ফেব্ৰুৱাৰী, ১৯১৭

মৃত্যু ঃ ৪ জানুৱাৰী, ১৯৮৯


ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়

ডিব্ৰুগড়

# ড° লক্ষীপ্ৰসাদ দত্ত ঃ

— জন্ম ১৯১৭ চনৰ ১৬ ফেব্ৰুৱাৰী, ডিব্ৰুগড় নগৰৰ দক্ষিণ আমোলাপট্টিত।

— পিতৃ ঃ মহেন্দ্ৰ প্ৰসাদ দত্ত- অসম চৰকাৰৰ আৰকাৰী অধীক্ষক।

— মাতৃ ঃ স্বৰ্ণলতা দত্ত।

— ১৯৩৩ চনত ডিব্ৰুগড় চৰকাৰী ল'ৰাৰ হাইস্কুলৰ পৰা প্ৰথম বিভাগত মেট্ৰিক পাছ।

— ১৯৩৭ চনত চিলঙৰ চেণ্ট এন্থনি কলেজৰ পৰা প্ৰথম বিভাগত আই এ পাছ।

— ১৯৩৯ চনত চিলঙৰ চেণ্ট এডমান্স কলেজৰ পৰা বুৰঞ্জী বিষয়ত অনাৰ্চ সহ বি.এ. উপাধি লাভ।

— ১৯৪১ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা বুৰঞ্জীত এম.এ. উপাধি লাভ।

— ১৯৪৩ চনত গুৱাহাটীৰ আৰ্লল কলেজৰ পৰা বি.এল. ডিগ্ৰী লাভ।

— তিনিজন ককাই-ভাইৰ ভিতৰত লক্ষীপ্ৰসাদ ডাঙৰ, ভায়েক বিষ্ণুপ্ৰসাদ আৰু শিৱপ্ৰসাদ।

— গুৱাহাটীৰ পানবজাৰ ছোৱালী হাইস্কুলৰ প্ৰাক্তন অধ্যক্ষা প্ৰজ্ঞা চৌধুৰী লক্ষীপ্ৰসাদৰ বায়েক। ভনীয়েক চাৰিগৰাকী। তেওঁলোক হৈছে শ্ৰীমতী ৰমা ৰাজখোৱা, উষা চৌধৰী, ৰেবা আগৰৱালা আৰু ইৰা বৰা।

— পুতেক তিনিজন। দেবপ্ৰসাদ, কৃষ্ণপ্ৰসাদ আৰু শক্তিপ্ৰসাদ। কন্যা দুগৰাকী। বৰ কন্যা লেখা দত্ত সন্দিকৈ ছোৱালী কলেজৰ অধ্যাপিকা। আনগৰাকী শ্ৰীমতী লনু দত্ত।

— ১৯৪৫ চনত ডিব্ৰুগড় কলেজ স্থাপনত আন বহুতৰে লগতে তেখেতেও আগভাগ লৈছিল আৰু প্ৰথমৰে পৰাই বুৰঞ্জী বিভাগৰ অধ্যাপক আছিল।

— ১৯৫০ চনত ডিব্ৰুগড় কলেজ ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ কলেজলৈ ৰূপান্তৰিত কৰাৰ গুৰিয়াল। ১৯৫০ চনৰ পৰাই কলেজৰ উপাধ্যক্ষ।

— ১৯৬০ চনত তেখেতৰ চেষ্টাতে কানৈ কমাৰ্চ কলেজ প্ৰতিষ্ঠা। তেখেত সেই কলেজৰো প্ৰতিষ্ঠাপক অধ্যক্ষ আছিল।

— ১৯৬৩ চনত এখেতৰ চেষ্টাত মনোহাৰী দেৱী ছোৱালী কলেজ প্ৰতিষ্ঠা হয়। কানৈ কলেজৰ অধ্যক্ষ যোগীৰাজ বসু সেই কলেজৰ অধ্যক্ষ হৈ যোৱাত তেখেত কানৈ কলেজৰ অধ্যক্ষ হয়।

— ১৯৬৫ চনত লক্ষীপ্ৰসাদৰ চেষ্টাত কানৈ কলেজ ভৱনত কানৈ আইন কলেজ আৰম্ভ হয় আৰু তেখেত তাৰ প্ৰতিষ্ঠাপক অধ্যক্ষ হয়। জীৱনৰ শেষৰফালে তেখেতে সেই কলেজত থাকোতেই মৃত্যু বৰণ কৰে।

— ডিব্ৰুগড় বিশ্ববিদ্যালয় স্থাপন হোৱাৰ আগলৈকে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত কানৈ কলেজত কেইবা বছৰ ধৰি সংস্কৃত, বুৰঞ্জী আৰু অৰ্থনীতি এই তিনিটা বিষয়ত স্নাতকোত্তৰ শ্ৰেণী চলিছিল আৰু সেইটোও সম্ভৱ হৈছিল লক্ষীপ্ৰসাদৰ চেষ্টাতহে।

— ১৯৬২ চনত চীনা আক্ৰমণৰ সময়ত কলেজসমূহত গৃহৰক্ষী বাহিনীৰ শাখা খোলা হৈছিল। তাৰ গুৰি ধৰিছিল লক্ষীপ্ৰসাদে। তেখেত সেই সময়ত সমগ্ৰ লক্ষীমপুৰ জিলাৰ জিলা কমাণ্ডেণ্ট আছিল।

— লক্ষীপ্ৰসাদৰ আটাইতকৈ উল্লেখযোগ্য অৱদান হ'ল - ১৯৬৫ চনত ডিব্ৰুগড়ত বিশ্ববিদ্যালয় স্থাপন। বিশ্ববিদ্যালয় স্থাপনৰ কাৰণে চৰকাৰৰ লগত যোগাযোগ কৰাৰে পৰা সকলো প্ৰাৰম্ভিক কাম-কাজ প্ৰকৃততে তেখেতে অকলেই কৰিছিল। ৰায় চাহাব পদ্মশ্ৰী হনুমানবক্স আৰু তেখেতৰ ভ্ৰাতৃ সুৰজমল কানৈৰ লগত তেখেতৰ এক মধুৰ সম্পৰ্ক গঢ় লৈ উঠিছিল। ইয়াৰ ফলস্বৰূপে কানৈ পৰিয়ালে শিক্ষাৰ বাবে যথেষ্ট দান বৰঙণি আগবঢ়াইছিল।

— লক্ষীপ্ৰসাদৰ কাৰণেহে বৰ্ত্তমানৰ কানৈ কলেজ, কানৈ কমাৰ্চ কলেজ আৰু কানৈ আইন কলেজৰ ভৱনসমূহ কানৈ পৰিয়ালৰ পৰা লাভ কৰাটো সম্ভৱ হৈছিল।

— ১৯৬৫ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয় স্থাপনৰ দিনৰে পৰাই ১৯৭০ চনলৈকে লক্ষীপ্ৰসাদ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰেক্টৰ পদত আছিল।

— ১৯৭০ চনৰ পৰা পাঁচ বছৰৰ কাৰণে তেখেত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উন্নয়ন আৰু সমন্বয়ৰক্ষী বিষয়া আছিল।

১৯৮৮ চনৰ ৭ ডিচেম্বৰ তাৰিখে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সমাবৰ্ত্তন উৎসৱত লক্ষীপ্ৰসাদক সন্মানীয় ডি-লিট উপাধি প্ৰদান কৰা হয়।

— ১৯৬৭ চনৰ ৰজনীকান্ত বৰদলৈ শতবাৰ্ষিকী সমাৰোহৰ অভ্যৰ্থনা সমিতিৰ সভাপতি।

— ১৯৬৮-৭০ চনত ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি।

— ১৯৬৬ চনত ডিব্ৰুগড়ত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ অভ্যৰ্থনা সমিতিৰ সভাপতি।

— ১৯৬৯ চনত বৰপেটাত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ বুৰঞ্জী শাখাৰ সভাপতি।

— ১৯৬৯ চনত ডিব্ৰুগড়ত অনুষ্ঠিত হোৱা অসম বিজ্ঞান সমিতিৰ বাৰ্ষিক অধিৱেশনৰ অভ্যৰ্থনা সমিতিৰ সভাপতি।

— ১৯৬৮ চনত লক্ষীনাথ বেজবৰুৱা শতবাৰ্ষিকী উৎসৱৰ অভ্যৰ্থনা সমিতিৰ সভাপতি।

— ৰটাৰী ক্লাবৰ সদস্য আৰু সভাপতি। কাঠমাণ্ডুত অনুষ্ঠিত হোৱা আন্তৰ্জাৰ্তিক ৰটাৰী সন্মিলনত যোগদান।

— ভাৰত চোভিয়েট সাংস্কৃতিক সন্থাৰ সদস্য। মস্কোত অনুষ্ঠিত হোৱা বিশ্বশান্তি পৰিষদৰ সভাত যোগদান।

— তেখেতৰ বহুত প্ৰৱন্ধ-পাতি অ'ত ত'ত প্ৰকাশ পোৱাৰ উপৰিও এখন বুৰঞ্জীমূলক গ্ৰন্থ প্ৰকাশন পৰিষদৰ দ্বাৰা প্ৰকাশ।

— ডিব্ৰুগড়ৰ প্ৰায়বোৰ অনুষ্ঠানৰ লগতে জড়িত আৰু সিবিলাকৰ উন্নয়নত সক্ৰিয় ভূমিকা গ্ৰহণ।

— ১৯৮৮ চনৰ ৩১ ডিচেম্বৰ তাৰিখে ডিব্ৰুগড় সাহিত্য সভাৰ উদ্যোগত লক্ষীপ্ৰসাদক ৰাজহুৱা সম্বৰ্ধনা।

— ১৯৮৯ চনৰ ৪ জানুৱাৰীত নশ্বৰ দেহ ত্যাগ।

ooo

ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ
অধ্যক্ষ ড° শশীকান্ত শইকীয়াৰ দ্বাৰা প্ৰকাশিত